**NSD NEWS UNIT**
AKASHVANI, GUWAHATI
0000000000

**Date :** 28-10-2025
**Time:** 19-10 Hrs

***Assamese Evening Bulletin***
***Headlines***

**:::::::::::::::::::::::::::::::::::::::::::::**

১। কেন্দ্ৰীয় মন্ত্ৰীসভাই অষ্টম দৰমহা আয়োগৰ কাৰ্যক্ষেত্ৰৰ পৰিসৰত অনুমোদন জনাইছে।

২। ৰাষ্ট্ৰপতি শ্ৰীমতী দ্ৰৌপদী মুৰ্মুৱে জলবায়ু পৰিৱৰ্তনৰ বিৰূপ প্ৰভাৱ ৰোধ কৰাৰ বাবে তাৎক্ষণিক আৰু কঠোৰ পদক্ষেপ লোৱাৰ আৱশ্যকতাত গুৰুত্ব আৰোপ কৰিছে।

৩। ভাৰতৰ সৌৰ শক্তি উৎপাদন আৰ্হি বিশ্বৰ আটাইতকৈ সফল আৰ্হিসমূহৰ অন্যতম বুলি কেন্দ্ৰীয় নতুন আৰু নৱীকৰণযোগ্য শক্তিমন্ত্ৰী প্ৰহ্লাদ যোশীয়ে প্ৰকাশ কৰিছে।

৪। কেন্দ্ৰীয় চৰকাৰে ২০২৫-২৬ বৰ্ষৰ বাবে ৰাজ্যিক দুৰ্যোগ সহাৰি পুজিৰ কেন্দ্ৰীয় অংশৰ দ্বিতীয় কিস্তি হিচাপে নাগালেণ্ডলৈ আগতীয়াকৈ ২০ কোটি টকা মোকলাই দিয়াত অনুমোদন জনাইছে। ***আৰু***

৫। ভাৰতৰ স্মৃতি মন্ধানাই মহিলাৰ এদিনীয়া ক্ৰিকেটৰ বাচনি তালিকাত শীৰ্ষ স্থান লাভ কৰিছে।

ooooo

কেন্দ্ৰীয় মন্ত্ৰীসভাই অষ্টম কেন্দ্ৰীয় দৰমহা আয়োগৰ কাৰ্যক্ষেত্ৰৰ পৰিসৰত অনুমোদন জনাইছে। আয়োগে গঠনৰ ১৮ মাহৰ ভিতৰত নিজৰ পৰামৰ্শৱলী আগবঢ়াব। নতুন দিল্লীত অনুষ্ঠিত মন্ত্ৰীসভাৰ বৈঠকৰ অন্তত সাংবাদিকৰ সৈতে হোৱা কথা বতৰাত তথ্য আৰু সম্প্ৰচাৰ মন্ত্ৰী অশ্বিনী বৈষ্ণৱে আজি এইকথা প্ৰকাশ কৰে। তেওঁ কয় যে আয়োগত এগৰাকী অধ্যক্ষ, এগৰাকী অংশকালীন সদস্য আৰু এগৰাকী সদস্য সচিব থাকিব।

মন্ত্ৰীসভাই লগতে ২০২৫-২৬ ৰবিশস্য বৰ্ষৰ বাবে ফছফৰাছ আৰু পটেচিয়ামযুক্ত সাৰৰ পুষ্টিকৰ উপাদান আধাৰিত ৰাজ সাহায্য হাৰত অনুমোদন দিয়ে। শ্ৰীবৈষ্ণৱে কয় যে মন্ত্ৰীসভাই ২০২৫ ৰবিশস্য বৰ্ষৰ বাবে প্ৰায় ৩৭ হাজাৰ ৯৫২ কোটি টকাৰ ৰাজসাহায্য অনুমোদন দিছে। এই দৰসমূহ পহিলা অক্টোবৰৰ পৰা প্ৰযোজ্য হ'ব। তেওঁ কয় যে ইয়াৰ ফলত খেতিয়কসকলৰ বাবে ৰাজসাহায্যযুক্ত বহনক্ষম আৰু উচিত মূল্য সাৰৰ উপলব্ধতা নিশ্চিত হ'ব।

ooooo

ৰাষ্ট্ৰপতি শ্ৰীমতী দ্ৰৌপদী মুৰ্মুৱে জলবায়ু পৰিৱৰ্তনৰ বিৰূপ প্ৰভাৱ ৰোধ কৰাৰ বাবে তাৎক্ষণিক আৰু কঠোৰ পদক্ষেপ লোৱাৰ আৱশ্যকতাত গুৰুত্ব আৰোপ কৰিছে। নতুন দিল্লীত আয়োজিত আন্তঃৰাষ্ট্ৰীয় সৌৰজোঁট আই এছ এৰ সভাৰ অষ্টম সত্ৰত মূল ভাষণ দি ৰাষ্ট্ৰপতিগৰাকীয়ে কয় যে সমগ্ৰ বিশ্ব এই এই সমস্যাৰ দ্বাৰা প্ৰভাৱিত হৈছে। তেওঁ কয়, যে জলবায়ু পৰিৱৰ্তনৰ বিৰূপ প্ৰভাৱ ৰোধ কৰাৰ বাবে ভাৰত প্ৰতিশ্ৰুতিবদ্ধ আৰু দেশখনে এই দিশত ইতিমধ্যে কঠোৰ পদক্ষেপ গ্ৰহণ কৰিছে। তেওঁ লগতে কয়, যে ভাৰত আৰু বিশ্বৰ সভ্যতাসমূহে পুৰণিকালৰে পৰা সূৰ্যক জীৱন আৰু শক্তিৰ মূল উৎস হিচাপে গণ্য কৰি আহিছে। চৰকাৰৰ সকলোৰে বাবে সৌৰ শক্তি উদ্যমৰ বিষয়ে

আলোকপাত কৰি ৰাষ্ট্ৰপতিগৰাকীয়ে কয়, যে সূৰ্য আটাইৰে বাবে সহজলভ্য শক্তিৰ আটাইতকৈ গণতান্ত্ৰিক উৎস আৰু এই উৎস গৰাকীবিহীন বুলি থকা ধাৰণাৰ ভিত্তিতে এই উদ্যম গ্ৰহণ কৰা হৈছে। তেওঁ লগতে কয়, যে বৃহৎ পৰিসৰত সৌৰ শক্তিৰ উৎপাদনে শক্তিৰ ব্যৱহাৰৰ গণতান্ত্ৰিকীকৰণৰ পথ প্ৰশস্ত কৰিব আৰু ইয়াৰ ফলত নাগৰিকসকল নিকা সেউজ আৰু পক্ষপাতহীন পৃথিৱী গঢ়াৰ প্ৰক্ৰিয়াত সক্ৰিয় অংশগ্ৰহণকাৰী হ'ব পাৰিব।

ooooo

ভাৰতৰ সৌৰ শক্তি উৎপাদন আৰ্হি বিশ্বৰ আটাইতকৈ সফল আৰ্হিসমূহৰ অন্যতম বুলি কেন্দ্ৰীয় নতুন আৰু নৱীকৰণযোগ্য শক্তিমন্ত্ৰী প্ৰহ্লাদ যোশীয়ে প্ৰকাশ কৰিছে। নতুন দিল্লীত আয়োজিত আন্তৰ্ৰাষ্ট্ৰীয় সৌৰজোটৰ সভাৰ অষ্টম সত্ৰত অংশগ্ৰহণ কৰাৰ সময়ত  আজি সাংবাদিকৰ সৈতে হোৱা কথা বতৰাত মন্ত্ৰীগৰাকীয়ে এইদৰে মন্তব্য কৰে। তেওঁ কয় যে প্ৰধানমন্ত্ৰী সূৰ্যঘৰ আঁচনিৰ অধীনত ঘৰৰ মুধচত ২১ লাখ সৌৰ শক্তি উৎপাদন গোট স্থাপন কৰা হৈছে আৰু প্ৰায় ৫০ শতাংশ জনসাধাৰণে বিদ্যুৎ মাচুলৰ পৰা মুক্তি লাভ কৰিছে। তেওঁ কয় যে প্ৰধানমন্ত্ৰী কুসুম আঁচনিৰ অধীনত খেতিয়কসকলে সৌৰ শক্তি উৎপাদন কৰিবলৈ লৈছে আৰু ৰাহি হোৱা সৌৰ শক্তি বিক্ৰীও কৰিছে। ভাৰতে আন্তঃৰাষ্ট্ৰীয় সৌৰজোটৰ সভাত হোৱা আলোচনাকালত সদস্য ৰাষ্ট্ৰসমূহৰ সৈতে নিজৰ অভিজ্ঞতা ভগাই লৈছে বুলি শ্ৰীযোশীয়ে উল্লেখ কৰে। তেওঁ কয় যে বিশ্বত উৎপাদিত সৌৰ শক্তিৰ ক্ষেত্ৰত আন্তঃৰাষ্ট্ৰীয় সৌৰ জোটৰ সদস্য ৰাষ্ট্ৰসমূহৰ অৱদান ৪০ শতাংশৰ অধিক। আকাশবাণীৰ সৈতে হোৱা কথা বতৰাত আন্তৰ্ৰাষ্ট্ৰীয় সৌৰ জোটৰ সঞ্চালক প্ৰধান আশীষ খান্নাই কয় যে ১২৫ খন দেশ আৰু ৫০ টাৰো অধিক সংস্থাৰ প্ৰতিনিধি আৰু মন্ত্ৰীয়ে এই সভাত ভাগ লৈছে।

ooooo

কেন্দ্ৰীয় ৰে'ল মন্ত্ৰী অশ্বিনী বৈষ্ণৱে **মোন্থা** নামৰ ঘূৰ্ণি বতাহজাকৰ সম্ভাব্য প্ৰভাৱলৈ চাই ৰে'ল বিষয়াসকলক বিশেষকৈ অন্ধ্ৰপ্ৰদেশৰ পূৱ উপকূলভাগ, ওড়িশা আৰু তেলেংগানাত প্ৰয়োজনীয় সতৰ্কতামূলক ব্যৱস্থা গ্ৰহণ কৰিবলৈ নিৰ্দেশ দিছে। ভিডিঅ' কনফাৰেন্সিং ব্যৱস্থাৰে আজি মোন্থা ঘূৰ্ণিবতাহৰ পৰিপ্ৰেক্ষিতত ৰে'ল বিভাগত প্ৰস্তুতিৰ সমীক্ষা কৰি মন্ত্ৰীগৰাকীয়ে বাধাহীন যোগাযোগ আৰু সময়মতে দুৰ্যোগ সহাৰি দলসমূহৰ নিয়োগৰ আৱশ্যকতাত গুৰুত্ব আৰোপ কৰে। শ্ৰীবৈষ্ণৱে সকলো ৰেল সংমণ্ডলক সতৰ্ক হৈ থাকিবলৈ আৰু ধুমুহাৰ পাছত ৰে'ল সেৱা শীঘ্ৰে বাহাল কৰাটো সুনিশ্চিত কৰাৰ নিৰ্দেশ দিছে। ৰে'ল মন্ত্ৰালয়ে কৈছে যে ঘূৰ্ণিবতাহজাকৰ সম্ভাব্য প্ৰভাৱলৈ চাই বাস্তৱিক সময়ত সমন্বয় আৰু ব্যৱস্থা গ্ৰহণৰ বাবে মাণ্ডলিক ৱাৰ ৰুমসমূহ সক্ৰিয় কৰি তোলা হৈছে। যন্ত্ৰপাতি আৰু মানৱ শক্তিকে ধৰি সকলো আৱশ্যকীয় সা-সামগ্ৰী বিশেষকৈ বিজয়াড়া, বিশাখাপট্টনম আৰু গুণ্টুৰ সংমণ্ডলক সাজু কৰি ৰখা হৈছে। মন্ত্ৰালয়ে লগতে যাত্ৰীৰ অসুবিধা কম কৰাৰ বাবে ৰে'ল চলাচলৰ ওপৰত অহৰহভাৱে নিৰীক্ষণ কৰি আছে। পূৱ উপকূলীয় ৰে'লৱে আৰু দক্ষিণ উপকূলীয় ৰে'লৱে আৰু দক্ষিণ মধ্য ৰে'লৱে সংমণ্ডলক আপাতকালীন পৰিস্থিতিৰ বাবে সম্পদ গোটাবলৈ আৰু আৱশ্যকীয় সুৰক্ষা সতৰ্কতা গ্ৰহণ কৰিবলৈ কোৱা হৈছে।

ooooo

কেন্দ্ৰীয় চৰকাৰে ২০২৫-২৬ বৰ্ষৰ বাবে ৰাজ্যিক দুৰ্যোগ সহাৰি পুজিৰ কেন্দ্ৰীয় অংশৰ দ্বিতীয় কিস্তি হিচাপে নাগালেণ্ডলৈ আগতীয়াকৈ ২০ কোটি টকা মোকলাই দিয়াত অনুমোদন জনাইছে। কেন্দ্ৰীয় গৃহ মন্ত্ৰী অমিত শ্বাহে এই সিদ্ধান্তত অনুমোদন জনায়। কেন্দ্ৰীয় গৃহ মন্ত্ৰালয়ে জাৰি কৰা এটা বিবৃতিত প্ৰকাশ কৰা মতে, কেন্দ্ৰীয় চৰকাৰে

প্ৰাকৃতিক দুৰ্যোগ আৰু  বিপৰ্যয়ৰ সময়ত ৰাজ্য চৰকাৰসমূহৰ সৈতে কান্ধত কান্ধ মিলাই থিয় হৈ আহিছে আৰু ৰাজ্যসমূহৰ প্ৰয়োজনীয় সকলো সহায় আগবঢ়াই আহিছে। মন্ত্ৰালয়ে কয় যে চলিত বৰ্ষত কেন্দ্ৰীয় চৰকাৰে ৰাজ্যিক দুৰ্যোগ সহাৰি পুঁজিৰ অধীনত ২৭ খন ৰাজ্যলৈ ১৫ হাজাৰ ৫৪৪ কোটি আৰু ৰাষ্ট্ৰীয় দুৰ্যোগ সহাৰি পুজিৰ অধীনত ১৫ খন ৰাজ্যলৈ দুহেজাৰ ২৬৭ কোটি টকা মোকলাই দিছে। ইয়াৰ উপৰি ৰাজ্যিক দুৰ্যোগ প্ৰশমন পুঁজিৰ পৰা ২১ খন ৰাজ্যলৈ ৪ হাজাৰ ৫৭১ কোটি আৰু ৰাষ্ট্ৰীয় দুৰ্যোগ প্ৰশমন পুজিৰ পৰা ৯ খন ৰাজ্যলৈ ৩৭২ কোটি টকাৰো অধিক টকা মোকলাই দিয়া হৈছে বুলি মন্ত্ৰালয়ে প্ৰকাশ কৰিছে।

০০০০০

দিল্লী চৰকাৰে মহানগৰখনৰ বায়ু প্ৰদূষণৰ সমস্যা দূৰ কৰাৰ বা বে কৃত্ৰিম বৰষুণৰ সম্পৰীক্ষা আৰম্ভ কৰিছে। দিল্লীৰ পৰিবেশ মন্ত্ৰী মনজিন্দৰ সিং চিলচাই কয় যে ভাৰতীয় প্ৰযুক্তিবিদ্যা প্ৰতিষ্ঠান কানপুৰৰ নেতৃত্বত পৰীক্ষামূলক প্ৰকল্পৰ অধীনত আজি ৰাষ্ট্ৰীয় ৰাজধানীৰ ওপৰত কৃত্ৰিমভাৱে মেঘ সৃষ্টি অভিযানৰ বাবে প্ৰযুক্তিবিদ্যা প্ৰতিষ্ঠানখনৰ বিমানঘাটিৰ পৰা এখন বিমানে উৰা মাৰে। তেওঁ কয় যে দিল্লীত এয়া এনে ধৰণৰ তৃতীয়টো পৰীক্ষা। শ্ৰীচিলচাই কয় যে ছেচনা বিমানখনে কানপুৰৰ পৰা উৰা মাৰি খেকৰা, বুৰাৰি, উত্তৰ কৰোৰবাগ আৰু ময়ুৰবিহাৰ, চাদকপুৰ আৰু ভোজপুৰ হৈ মীৰাট বিমানবন্দৰত অৱতৰণ কৰে। পৰীক্ষা কালত পাইৰ’ প্ৰযুক্তি ব্যৱহাৰ কৰি মেঘ সৃষ্টিকাৰী উপাদান চটিওৱা হয় বুলি তেওঁ উল্লেখ কৰে। তেওঁ কয় যে আই আই টি কানপুৰৰ দলটোৱে পৰৱৰ্তী কেইঘণ্টামানৰ ভিতৰত বৰষুণ হ’ব পাৰে বুলি অনুমান কৰিছে।

০০০০০

হিন্দুস্তান এৰ’নাটিক্‌ছ লিমিটেডে এছ জে -১০০ অসামৰিক যাত্ৰীবাহী বিমান ভাৰতত নিৰ্মাণ কৰাৰ বাবে ৰাছিয়াৰ পাবলিক জইণ্ট ষ্ট’ক কোম্পানী ইউনাইটেড এয়াৰ ক্ৰাফট কৰ্পৰেছনৰ সৈতে এখন বুজাবুজিৰ চুক্তিত স্বাক্ষৰ কৰে। প্ৰতিৰক্ষা মন্ত্ৰী ৰাজনাথ সিঙে সামাজিক মাধ্যমৰ এক বাৰ্তাযোগে দেশৰ অসামৰিক বিমান পৰিবহন খণ্ডত এক উল্লেখযোগ্য পদক্ষেপ বুলি প্ৰশংসা কৰে। মন্ত্ৰীগৰাকীয়ে লগতে উড়ান আঁচনিৰ অধীনত এছ জে-১০০ যাত্ৰীবাহী বিমানে চমু দূৰত্ব সংযোগৰ ক্ষেত্ৰত যথেষ্ট পৰিৱৰ্তন সাধন কৰিব বুলি উল্লেখ কৰে। আত্মনিৰ্ভৰ ভাৰত গঢ়াৰ ক্ষেত্ৰত অসামৰিক বিমান পৰিবহন খণ্ডৰ ই এক বৃহৎ অগ্ৰগতি বুলি মন্ত্ৰীগৰাকীয়ে মন্তব্য কৰে। তেওঁ লগতে দেশত নিৰ্মাণ হ’বলগীয়া এছ জে-১০০ ৰ প্ৰথমখন বিমান সম্পূৰ্ণ যাত্ৰীবাহী বিমান হ’ব বুলিও জানিবলৈ দিয়ে। মন্ত্ৰীগৰাকীয়ে আৰু লগতে এই বিমান নিৰ্মাণে ব্যক্তিগত খণ্ডক শক্তিশালী কৰি তুলিব আৰু বিমান উদ্যোগত প্ৰত্যক্ষ আৰু পৰোক্ষ চাকৰিৰ সৃষ্টি কৰিব বুলিও জানিবলৈ দিয়ে।

০০০০০

ভাৰতৰ স্মৃতি মন্ধানাই মহিলাৰ এদিনীয়া ক্ৰিকেটৰ বাচনি তালিকাত শীৰ্ষ স্থান লাভ কৰিছে। মান্ধানাই ৮২৮ পইণ্টেৰে এই কীৰ্তিত্ব অৰ্জন কৰিছে। মান্ধানা দ্বিতীয় স্থানত থকা অষ্ট্ৰেলিয়াৰ এছলে গাৰ্ডেনাৰতকৈ এশ পইণ্ট আগবাঢ়ি আছে। মান্ধানাই আই চি চি মহিলা এদিনীয়া বিশ্বকাপ ক্ৰিকেট প্ৰতিযোগিতাত নিউজিলেণ্ডৰ বিৰুদ্ধে ১০৯ ৰাণ আৰু বাংলাদেশৰ বিৰুদ্ধে অপৰাজিত ৩৪ ৰাণ সংগ্ৰহ কৰিছে। খেলুৱৈগৰাকী যোৱা চেপ্তেম্বৰত মাহটোৰ আই চি চি মহিলা খেলুৱৈৰূপে ঘোষণা কৰা হৈছিল।

০০০০০

ৰাষ্ট্ৰীয় যুৱ পৰিক্ৰমা আৰু ক্ৰীড়া মন্ত্ৰালয়ে ৰাষ্ট্ৰীয় ক্ৰীড়া  বঁটাসমূহৰ বাবে আবেদন দাখিলৰ সময়সীমা ৪ নৱেম্বৰলৈ বৃদ্ধি কৰিছে। যোগ্য খেলুৱৈ, প্ৰশিক্ষক আৰু প্ৰতিষ্ঠানসমূহে www.dbtyas-sports.gov.in পোৰ্টেলৰ যোগে আবেদন দাখিল কৰিব পাৰিব। ক্ৰীড়াৰ ক্ষেত্ৰত অতুলনীয় অৱদান আৰু প্ৰদৰ্শনৰ স্বীকৃতিস্বৰূপে বছৰি এই বঁটাসমূহ প্ৰদান কৰা হয়।

০০০০

ঃঃ সমাপ্ত ঃঃ